# NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 24-11-2022
**Time :** 5-15 hrs

## *Assamese Evening Bulletin*

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাচিত দিৱস উপলক্ষে দেশবাসীক শুভেচ্ছা জনাইছে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে অসমৰ আহোম যুগৰ মহান বীৰ সেনাপতি লাচিত বৰফুকনৰ এইবাৰ ৪০০ বছৰীয়া জয়ন্তী আৰু সেয়ে এইবাৰৰ লাচিত দিৱসৰ বিশেষ তাৎপৰ্য আছে। শ্ৰীমোদীয়ে কয় যে জন্মভূমিৰ প্ৰতি থকা প্ৰেম আৰু বীৰত্বই লাচিত বৰফুকনক সকলোৰে হৃদয়ত স্থান দি আহিছে।

ইপিনে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উদ্‌যাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে গৃহ মন্ত্ৰীগৰাকীক বীৰ লাচিতৰ প্ৰতিমূৰ্তি আৰু হেংদানেৰে আদৰণি জনোৱা হয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু দেশৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈয়েও অংশগ্ৰহণ কৰে। অসম চৰকাৰে নতুন দিল্লীত তিনিদিনীয়াকৈ আয়োজন কৰা লাচিত দিৱস কালি আৰম্ভ হয়। ৰাষ্ট্ৰীয় -আন্তঃৰাষ্ট্ৰীয় স্তৰত লাচিত বৰফুকনৰ বীৰত্ব আৰু দেশপ্ৰেমক তুলি ধৰাৰ উদ্দেশ্যেই এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আকাশবাণীৰ সংবাদদাতাক অসমৰ বস্ত্ৰতাঁত মন্ত্ৰী ইউ জি ব্ৰহ্মই কয় যে লাচিত দিৱসৰ অনুষ্ঠানক কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ অংশগ্ৰহণে বিশেষ মৰ্য্যাদা প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমৰ গৌৰৱময় ইতিহাসত আলোকপাত কৰাৰ লগতে বীৰ লাচিতৰ সাহস আৰু ত্যাগৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ লাচিত দিৱসৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে, বীৰ লাচিতৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা লেখা কাৰ্য্যসূচীলৈ এই পৰ্য্যন্ত ৩৫ লাখৰো অধিক লেখা প্ৰেৰণ কৰা হৈছে।

- বাইট -

০০০০০০০০০০

আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। বিভিন্ন দল-সংগঠন, বিদ্যালয়-মহাবিদ্যালয়ে এই জয়ন্তী পালন কৰে। বাক্সা জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানসমূহতো বীৰ লাচিত বৰফুকনৰ জয়ন্তী পালন কৰা হয়। এই উপলক্ষে বিদ্যালয়সমূহত বীৰগৰাকীৰ প্ৰতিকৃতিত  মাল্যাৰ্পণ, শ্ৰদ্ধাঞ্জলি আদি অনুষ্ঠানৰ আয়োজন কৰা হয়। কাৰ্বি আংলং জিলাৰ ডিফু চহৰৰ ধৰমনলাৰ চুকাফা ভৱন চৌহদত বীৰগৰাকীৰ প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। কাৰ্বি আংলং টাই আহোম কালচাৰেল ছ'চাইটি আৰু কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত স্থাপন কৰা বীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি জিলা উপায়ুক্তগৰাকীয়ে উদ্বোধন কৰে। ধুবুৰীৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উদযাপনৰ মূল কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আহোম, মোগল, কোচ আৰু গুপ্ত সাম্ৰাজ্যত প্ৰচলিত বিৰল প্ৰাচীন মুদ্ৰাৰ প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। একেদৰে জিলাখনৰ

বিলাসীপাৰা মহকুমা প্ৰশাসন, পৌৰসভা আৰু জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত লাচিত বৰফুকনৰ জয়ন্তী উপলক্ষে চহৰখনত পদযাত্ৰা উলিওৱা হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত লাচিত দিৱসৰ কাৰ্যসূচীত জিলা আৰক্ষী প্ৰশাসনে চাৰি শতাধিক দৰিদ্ৰ লোকক কম্বল বিতৰণ কৰে। কামৰূপ জিলাৰ প্ৰশাসনৰ উদ্যোগত লাচিত দিৱস উপলক্ষে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। মৰিগাঁৱত প্ৰকৃতি প্ৰেমী মঞ্চ অসমে লাচিত বৰফুকনৰ ওপজা দিনত সমাজৰ বিভিন্ন দিশত ওৰেটো জীৱন সেৱা আগবঢ়াই অহা ৭ গৰাকী ব্যক্তিক বঁটা প্ৰদান কৰে। শোণিতপুৰ জিলাৰ তেজপুৰত  অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উদ্যোগত পালিত লাচিত বৰফুকনৰ জয়ন্তীত বিধায়ক পৃথ্বী ৰাজ ৰাভা, জিলা উপায়ুক্ত দেৱকুমাৰ মিশ্ৰকে ধৰি বিভিন্ন ব্যক্তিয়ে অংশগ্ৰহণ কৰে। বৰপেটা জিলা প্ৰশাসনৰ উদ্যোগত মহাবীৰগৰাকীৰ কাপোৰত অঁকা এখন বিশাল চিত্ৰ উন্মোচন তথা প্ৰদৰ্শন কৰা হয়। কেইবাগৰাকীও স্থানীয় চিত্ৰ শিল্পীয়ে অংকন কৰা এই চিত্ৰখন চহৰৰ মাজেৰে বৈ যোৱা মৰা চাউলখোৱা নদীৰ দলঙৰ ওপৰত আঁৰি দিয়া হয়। শিৱসাগৰ জিলাৰ ৰংপুৰ প্ৰাচীন কৃতিচিহ্ন সংৰক্ষণ সমিতিৰ উদ্যোগত শিৱসাগৰ নগৰৰ লাচিত উদ্যানত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে লাচিত দিৱস উদযাপন কৰা হয়।

০০০০০০০০০

**(সমাপ্ত)**